জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৮/২০২২

# প্ৰধানমন্ত্ৰী গতি-শক্তি মাষ্টাৰ প্লেনৰ বাবে অনুষ্ঠিত উত্তৰ পূৱ আঞ্চলিক সন্মিলনত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## প্ৰধানমন্ত্ৰীৰ গতি-শক্তিয়ে যোগাযোগ ব্যৱস্থা শক্তিশালী কৰাৰ লগতে দ্ৰুত আন্তঃগাঁথনি বিকাশৰ দিশত নতুন মাত্ৰা প্ৰদান কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৮ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে প্ৰধান মন্ত্ৰী গতি-শক্তি মাষ্টাৰ প্লেনৰ পদক্ষেপে যোগাযোগৰ ক্ষেত্ৰত নতুন মাত্ৰা প্ৰদান কৰাৰ লগতে আন্তঃগাঁথনি আৰু অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰটো নতুন দিশলৈ লৈ যাব। তেওঁ লগতে কয় যে এই কাৰ্যসূচীয়ে অসমৰ দৰে ৰাজ্যসমূহক দেশৰ শ্ৰেষ্ঠ ৰাজ্য সমূহৰ সৈতে সমানে আগবাঢ়ি যোৱাৰ দিশটো সহায় কৰিব।

আজি গুৱাহাটীত কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদীপ সিং পুৰীৰ উপস্থিতিত মাল্টি মডেল সংযোগৰ উদ্দেশ্যেৰে প্ৰধানমন্ত্ৰী গতি-শক্তি মাষ্টাৰ প্লেনৰ বাবে অনুষ্ঠিত উত্তৰ পূব আঞ্চলিক সন্মিলনত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই এইদৰে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২১ চনৰ অক্টোবৰত আৰম্ভ কৰা গতি-শক্তি মাষ্টাৰ প্লেনৰ জৰিয়তে যোগাযোগ আৰু আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত দৃষ্টান্তমূলক পৰিৱৰ্তন অনাৰ লক্ষ্য লৈছে। তেওঁ কয় যে প্ৰধানমন্ত্ৰীয়ে যোৱা কেন্দ্ৰীয় বাজেটত মূলধন আন্তঃগাঁথনিৰ বিকাশৰ বাবে পুঁজি আৱণ্টন কৰি বিকাশৰ প্ৰতি থকা তেওঁৰ দায়বদ্ধতাকে পুনৰ ব্যক্ত কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে এই কাৰ্যসূচী সফল কৰাৰ দিশত সম্পূৰ্ণ দায়বদ্ধ আৰু আন্তৰিকতাৰে অংশগ্ৰহণ কৰিব।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনত প্ৰধানমন্ত্ৰী গতি-শক্তিৰ সফল ৰূপায়ণত তদাৰক কৰিবলৈ ৰাজ্য চৰকাৰে মুখ্য সচিবক অধ্যক্ষ আৰু ৰাজ্য চৰকাৰৰ বিভাগসমূহৰ জ্যেষ্ঠতম সচিবসকলক সদস্য হিচাপে লৈ এক ক্ষমতাশীল গোটৰ সৈতে তিনিস্তৰীয় প্ৰতিষ্ঠানগত পৰিকাঠামো স্থাপন কৰিছে।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে বিভিন্ন বিভাগৰ জ্যেষ্ঠ বিষয়াসকলক লৈ এটা নেটৱৰ্ক পৰিকল্পনা গোট গঠন কৰিছে। এই গোটে আন্তঃগাঁথনি উন্নয়ন প্ৰকল্পৰ বাবে পৰিকল্পনা আৰু নেটৱাৰ্কিংৰ সৈতে জড়িত হৈ থাকিব। ৰাজ্যৰ মাষ্টাৰ প্লেন বিকশিত কৰাৰ বাবে 'বিআইএছএজি-এন'ৰ সৈতে সক্ৰিয় সহযোগিতাৰ বাবে কাৰিকৰী ব্যক্তিসকলক লৈ এটা কাৰিকৰী সমৰ্থন গোট গঠন কৰিছে।

মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী গতি-শক্তিৰ অধীনত ৰাজ্য চৰকাৰে লোৱা পদক্ষেপসমূহ যাতে

বাস্তৱলৈ ৰূপান্তৰিত কৰিব পৰা যায় সেয়া নিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰে সংশ্লিষ্ট পেছাদাৰী ব্যক্তি আৰু বিষয়াসকলৰ বাবে দক্ষতা বৃদ্ধি আৰু প্ৰশিক্ষণ কাৰ্যসূচীও আৰম্ভ কৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে উত্তৰ পূৱ আঞ্চলিক সন্মিলনে ৰাজ্যিক মাষ্টাৰ প্লেন প্ৰস্তুত কৰা আৰু ৰূপায়ণৰ পৰিকাঠামো বিকশিত কৰাত যথেষ্ট সহায়ক হৈ উঠিব।

মুখ্যমন্ত্ৰীয়ে কয় যে তৈল খণ্ডৰ কোম্পানীসমূহক ৰাজ্য চৰকাৰে সম্পূৰ্ণ সহযোগিতা আগবঢ়াই আছে যাতে অন্বেষণৰ এলেকা বৃদ্ধিৰে ভৱিষ্য দৰ্শনক বাস্তৱায়িত কৰিব পাৰে। তেওঁ লগতে কয় যে তৈল খণ্ডক সহায় কৰিবলৈ ইয়াৰ কিছু অংশত ৰাজ্য চৰকাৰক অংশীদাৰিত্ব কৰাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

অনুষ্ঠানত কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদীপ সিং পুৰী, কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, ৰাজ্য চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে ভাষণ প্ৰদান কৰে। আজিৰ এই অনুষ্ঠানত নাগালেণ্ডৰ খনি আৰু খনিজ বিভাগৰ মন্ত্ৰী, চিকিমৰ পৰিবহণ মন্ত্ৰী আৰু ত্ৰিপুৰাৰ উদ্যোগ মন্ত্ৰী, পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰণালয়ৰ সচিব পংকজ জৈন, আই অ' চি এলৰ চিএমডি, কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ উচ্চপদস্থ বিষয়া আৰু অন্যান্য অংশীদাৰীসকলে অংশগ্ৰহণ কৰে।

**বীঃগঃ / পুঃডেঃ**
**২৮-২-২০২২**